জাতিৰ সেৱাত উৎসৰ্গিত (৫৯) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

65 । ৫৯ বছৰ । ২৭৮ সংখ্যা, ৩ জেঠ, শুকুৰবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 59 NO. 278 । DIBRUGARH, FRIDAY, MAY 17, 2024 । পৃষ্ঠা ১৬ (Pages 16) । ৭.০০ টকা (



অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ ক্ষোভ

## অৱসৰপ্ৰাপ্ত

## ...ৰ চকুৰে চায়

ন মাহৰপৰা
্যনিধিৰ ধন
ীৰ্ঘদিন ধৰি
পোৱা নাই।
কৰ্মচাৰীৰ
অৱসৰপ্ৰাপ্ত
ইয়াৰে ২৫
কলৰ বাবে
কৰি দিয়া
হ'ল, সেই
প্ৰাপ্তসকলৰ
৭০/১৮০
িক চৰকাৰ
পৰিলক্ষিত
ক পৰিবহন
াৰ অনুমান
অৱসৰপ্ৰাপ্ত
াত লগতে

আবুল হুছেইনে কয় যে চৰকাৰে অসম ৰাজ্যিক পৰিবহন নিগমক ব্যক্তিগত খণ্ডৰ হাতত গতাই দিয়াৰ ব্যৱস্থা কৰিছে। যাৰ বাবে কৰ্মচাৰীসকলক স্বেচ্ছামূলক অৱসৰ দিছে। নিগমৰ অস্থায়ী কৰ্মচাৰীসকলক চাকৰিৰপৰা অব্যাহতি দিছে। এই সন্দৰ্ভত বৰ্তমানো উচ্চ ন্যায়ালয়ত গোচৰ চলি আছে। নিগমৰ অধীনৰ মাটি বৰ্তমান সময়ত বিক্ৰী কৰা হৈছে। গুৱাহাটীৰ পল্টন বজাৰৰ মাটি ৰেলৱেক গতাই দিয়া হৈছে। নিগম বৰ্তমান সময়ত মৃত্যুমুখলৈ গতি কৰিছে। নিগমৰ অধীনৰ বাছৰ সংখ্যা নগণ্য। নিগমৰ প্ৰাক্তন পৰিচালন সঞ্চালক ৰাহুল চন্দ্ৰ দাসৰ দিনত ১০০খন গ্ৰীন বাছ অনা হৈছিল। কিন্তু, চলাবৰ ব্যৱস্থা কৰিব নোৱাৰাৰ বাবে সেইবোৰ ব্যক্তিগত খণ্ডক গতাই দিয়া হয়। আনহাতে, শুনিবলৈ পোৱা মতে, বোকাখাতৰ নিগমৰ সম্পত্তিও বিক্ৰী কৰাৰ ব্যৱস্থা কৰিছে চৰকাৰে। গতিকে, আমি চৰকাৰ তথা নিগমক দাবী জনাইছোঁ, যাতে আমাৰ প্ৰাপ্যখিনি আমাক অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰে। অন্যথা, অনাগত দিনত নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে আন্দোলনৰ পথ বাছি ল'বলৈ বাধ্য হ'ব।

## ...গুৰিৰ কেন্দুগুৰিত

## ...দায় উৎসৱ উদযাপন

# কানৈ মহাবিদ্যালয় আৰু নয়দাস্থিত জি এন আই অ' টিৰ মাজত বুজাবুজি চুক্তি




নিজা বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১৬ মে' ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় আৰু গ্ৰেটাৰ নয়দাস্থিত গ্ৰেটাৰ নয়দা ইনষ্টিটিউট অৱ টেকন'ল'জী (জি এন আই অ' টি), ইনষ্টিটিউট অব মেনেজমেণ্ট ষ্টাডীজৰ মাজত ১১ মে'ত হোটেল ৰাজ মেৰিডিয়ানৰ সভাকক্ষত এক বুজাবুজি চুক্তি সম্পন্ন হয়। কানৈ মাহবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়া, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ অনুপজ্যোতি ভৰালী, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ডঃ জ্যোতি প্ৰসাদ ফুকন, সমন্বয়ক উদ্ভাৱন অধ্যাপক আদিত্য দাহাল, জি এন আই অ' টিৰ গ্ৰুপ হেড পংকজ কুমাৰ, জিমছৰ বিজনেল হেড প্ৰদীপ দে', জি এন আই অ' টিৰ উপ-সভাপতি চন্দ্ৰকান্ত সিঙ আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা স্বেচ্ছাসেৱী সংগঠন 'স্পিয়েৰ'ৰ অধ্যক্ষ জ্যোতিৰ্ময় হাজৰিকাৰ উপস্থিতিত বুজাবুজি চুক্তিত স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ডঃ ৰঞ্জন চাংমাই, ডিব্ৰুগড় চৰকাৰী বালক বিদ্যালয়ৰ অধ্যক্ষ হৃদয় চৌধুৰী, গুৰুকুলৰ অধ্যক্ষ বাসৱী ভট্টাচাৰ্য হাজৰিকা, ডঃ ৰাধাকৃষ্ণ বিদ্যালয়ৰ অধ্যক্ষ বিকাশ গগৈকে ধৰি ডিব্ৰুগড় চহৰৰ ভালেকেইখন শিক্ষানুষ্ঠানৰ অধ্যাপক-অধ্যাপিকা, স্বেচ্ছাসেৱী সংগঠন, স্পীয়েৰৰ বিষয়ববীয়াৰ লগতে চহৰখনৰ ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে উক্ত বুজাবুজি চুক্তিৰ জৰিয়তে দুয়োখন শিক্ষানুষ্ঠানৰ মাজত শৈক্ষিক প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰতৰ কৰিবৰ বাবে শৈক্ষিক বিনিময়,আলোচনা চক্ৰ, কৰ্মশালা, প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে বিভিন্ন ধৰণৰ গৱেষণামূলক কাৰ্যসূচী অনুষ্ঠিত কৰাত বহুখিনি সুবিধা হ'ব মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষই জানিবলৈ দিছে।

ঐতিহাসিক ৰায় উচ্চতম

## ...ক ...গ্ৰপ্তাৰ ...াৰিব



...নদেন (ক'লা ধনৰ
... বিশেষ আদালতে
...'লা ধনৰ বৈধকৰণ)
...ম্বৰ ধাৰাৰ অধীনত

৬ পৃষ্ঠাত চাওক

...কাঠাতে ঢলি পৰি...

## ...াজনৰ ম...

